**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

০০০০০০

১। গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ অধীনৰ বিভিন্ন এলেকাত প্ৰশাসনৰ উচ্ছেদ অভিযান। এহেজাৰ ৩৮ বিঘা ভূমি দখলমুক্ত।

২। গুৱাহাটী বিজ্ঞান নগৰী প্ৰকল্প অহা ডিচেম্বৰৰ ভিতৰতে উদ্বোধনৰ লক্ষ্য স্থিৰ

৩। বিটিচি নিৰ্বাচনৰ বাবে ২২ জুলাইত খচৰা ভোটৰ তালিকা প্ৰকাশ।

৪। গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান অনুষ্ঠান। **আৰু**

৫। লৰ্ডছ্ টেষ্টৰ আজি চতুৰ্থ দিনা এটাও উইকেট নেহেৰুওৱাকৈ কালি সংগ্ৰহ কৰা দুই ৰানৰ পৰা ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ খেল।

০০০০০০

গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ অধীনৰ বিদ্যাপাৰা, আশুডুবি আৰু বেতবাৰীত কালি বন বিভাগ আৰু প্ৰশাসনে অভিযান চলাই এহেজাৰ ৩৮ বিঘা ভূমি দখলমুক্ত কৰে আৰু এহেজাৰ ৮০টা পৰিয়ালক উচ্ছেদ কৰে। ২০২৪ চনৰ নৱেম্বৰ-ডিচেম্বৰত পৰিয়ালকেইটাক সেই ঠাই খালী কৰাৰ কাৰণে জাননী জাৰি কৰা হৈছিল। জাননী পোৱাৰ পাছত ৮০ শতাংশ পৰিয়ালে নিজে নিজে সেই ঠাই ত্যাগ কৰিছিল যদিও বাকী পৰিয়ালসমূহক কালি উচ্ছেদ কৰা হয়। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো ধৰণৰ বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ নহয়, তাৰ বাবে অঞ্চলটোত ভালেসংখ্যক আৰক্ষী আৰু বনকৰ্মী নিয়োগ কৰা হৈছে। উচ্ছেদৰ সময়ত বিধায়ক ৰফিকুল ইছলামৰ নেতৃত্বত এ আই ইউ ডি এফৰ বিধায়কৰ এটা আঠজনীয়া দল উচ্ছেদস্থলীত প্ৰৱেশৰ চেষ্টা চলায় যদিও আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে। ইয়াৰ পাছত বিধায়ককেইগৰাকীয়ে উচ্ছেদস্থলীৰ প্ৰৱেশ পথত প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ দল আৰু আম আদমী পাৰ্টীয়েও উচ্ছেদৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

উচ্ছেদ অভিযান সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ থকা দিশসমূহ বিবেচনা কৰিহে উচ্ছেদ অভিযানৰ বাবে ৰাজ্য চৰকাৰে আগবাঢ়িছে। এই ক্ষেত্ৰত ৰাজনীতি কৰিবলৈ বিচৰাসকলৰ কথাক মান্যতা প্ৰদানৰ বিষয়টো অপ্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে।

**বাইট (চি এম)**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে আজি জিলাখনত উপস্থিত হ'ব। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে সৰুপথাৰৰ বিধায়ক বিশ্বজিত ফুকনে কালি সৰুপথাৰ সমজিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে চেৰাগুৰি ফিল্ডত হেলিপেডৰ স্থান পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়।

উল্লেখযোগ্য যে নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে।

০০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - আই আই টি গুৱাহাটীৰ আজি ২৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠিত হ'ব। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযন্তা বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ড° ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকিব। আই আই টি গুৱাহাটীৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত হ'বলগীয়া সমাৱৰ্তনত এইবেলি মুঠ ২ হেজাৰ ৯৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হ'ব। আজিৰ সমাৱৰ্তনত ১০৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰী প্ৰদান কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড° শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪টা স্বৰ্ণ পদক প্ৰদান কৰা হ'ব।

০০০০০০

টিউটৰসকলক শিক্ষকলৈ ৰূপান্তৰ কৰিবলৈ বি এড আৰু টেট উত্তীৰ্ণ হ'ব লাগিব। প্ৰাদেশীকিকৃত টিউটৰসকলক শিক্ষকলৈ উন্নীকৰণৰ দাবীক লৈ হোৱা প্ৰতিবাদ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে যোগ্যতা অৰ্জন নকৰা বাবে উচ্চতম ন্যায়ালয়ে পশ্চিমবংগত ২৬ হাজাৰ শিক্ষকক চাকিৰৰ পৰা বাদ দিয়াৰ নিৰ্দেশ দিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি টিউটৰসকলে বি এড-টেট উত্তীৰ্ণ হৈ যোগ্যতা অৰ্জন কৰাৰ প্ৰয়োজন বুলি তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই ইতিমধ্যে যোগ্যতা অৰ্জন কৰাসকলক শিক্ষকলৈ উন্নীত কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে যিসকল শিক্ষকে এতিয়ালৈকে এই যোগ্যতা অৰ্জন কৰা নাই তেওঁলোকৰ দৰমহা অলপ বৃদ্ধি কৰা হ'ব। উল্লেখযোগ্য যে প্ৰাদেশীকিকৃত মধ্য-ইংৰাজী আৰু নিম্ন প্ৰাথমিক টিউটৰ সস্থাই যোৱা শুকুৰবাৰে গুৱাহাটীত শিক্ষকৰ মৰ্যাদা আৰু গ্ৰেচুইতি প্ৰদানৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰিছিল।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দৰং জিলাৰ পুনিয়াত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৮ ছেপ্তেম্বৰৰ অসম ভ্ৰমণৰ সময়ত এই প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰধানমন্ত্ৰীয়ে সেই দিনটোত দৰঙৰ পুনিয়াৰ পৰাই প্ৰায় ৮ হাজাৰ কোটি টকাৰ প্ৰকল্প নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰিব। একেটা অনুষ্ঠানতেই নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ওদালগুৰি জিলাতো এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বিষয়ে চিন্তা-চৰ্চা কৰি থকা হৈছে বুলি উল্লেখ কৰি ড০ শৰ্মাই লগতে কয়, যে চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে বাছনি কৰা

স্থানত থকা বৃহৎ গছসমূহ প্ৰয়োজন নহ'লে নাকাটিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়া হৈছে। প্ৰকল্পস্থলীত থকা চোম গছসমূহ স্থানান্তৰ কৰি আন স্থানত ৰোপণ কৰা হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে সোণাপুৰৰ বগীবাৰীত আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা **কলং-কপিলী**ৰ সহযোগত দেশৰ প্ৰথমখন জল প্ৰযুক্তি উদ্যান বা **একুৱাটেক পাৰ্ক** মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে ৰাজ্যত ২০১৯ চনৰ পৰা ২০২৪ চনৰ ভিতৰত মাছৰ উৎপাদন দুগুণলৈ বৃদ্ধি পাই ৪ লাখ ৯৯ হাজাৰ মেট্ৰিক টন হৈছে আৰু ৰাজ্যখনৰ সম্প্ৰতি দেশৰ চতুৰ্থ সৰ্ববৃহৎ মৎস্য উৎপাদকাৰী হিচাপে পৰিগণিত হৈছে। কালি মুকলি কৰা উদ্যানখনৰ জৰিয়তে একুৱাপনিক্স, বায়'ফ্লক, মাছৰ আধুনিক খাদ্য উৎপাদন, আলংকাৰিক মাছৰ প্ৰজনন আদিৰ দৰে প্ৰযুক্তিসমূহৰ ব্যৱহাৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত বিটিচি নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। আয়োগে ইতিমধ্যে ফটোযুক্ত ভোটাৰ তালিকা প্ৰস্তুত আৰু প্ৰকাশ কৰিবলৈ সময় নিৰ্ধাৰিত নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি অহা ২২ জুলাইত খচৰা ভোটৰ তালিকা প্ৰকাশ পাব। খচৰা ভোটাৰ তালিকা  সম্পৰ্কীয় ওজৰ-আপত্তি আৰু অভিযোগ দাখিলৰ বাবে ৫ আগষ্ট অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ১১ আগষ্টৰ ভিতৰত ওজৰ-আপত্তি আৰু অভিযোগসমূহ নিষ্পত্তি কৰা হ'ব। এই প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছত ১৩ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। ১৮ আগষ্টত ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ তালিকা ঘোষণাৰ দিন ধাৰ্য্য কৰা হৈছে। ইপিনে, প্ৰস্তুতিৰ অংশ হিচাপে নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰবিধি বলৱৎ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ মুখ্য সচিবলৈ এখন পত্ৰ প্ৰেৰণ কৰা হৈছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ স্বাৰ্থত অধিসূচনা জাৰি কৰাৰ লগে লগে বি টি আৰৰ পাঁচখন জিলা ক্ৰমে তামুলপুৰ, ওদালগুৰি, বাক্সা, কোকৰাঝাৰ আৰু চিৰাঙৰ নিৰ্বাচনী আঁচৰণ বিধি বলৱৎ হ'ব। পত্ৰখনৰ জৰিয়তে ভোটাৰ তালিকা প্ৰস্তুত আৰু নিৰ্বাচন সম্পৰ্কীয় কৰ্তব্যত নিয়োজিত বদলীকৰণ স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

সোণাপুৰত নিৰ্মিয়মান গুৱাহাটী বিজ্ঞান নগৰী প্ৰকল্পৰ অগ্ৰগতিক লৈ কালি নতুন দিল্লীত ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জয়পুৰ হাউছস্থিত ৰাষ্ট্ৰীয় আধুনিক কলা সংগ্ৰহালয়ত প্ৰায় দুঘণ্টা ধৰি হোৱা এই বৈঠকত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ পুঁজিৰে নিৰ্মাণ কৰি থকা এই বিজ্ঞান নগৰী প্ৰকল্প অহা ডিচেম্বৰৰ ভিতৰতে উদ্বোধনৰ লক্ষ্য স্থিৰ কৰি বাকী থকা কামকাজৰ ক্ষিপ্ৰ ৰূপায়নৰ সৈতে জড়িত সকলো দিশৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বৈঠকত প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতি সম্পৰ্কীয় প্ৰতিটো দিশৰ বিষয়ে বিতং ভাবে পৰ্যালোচনা কৰি বাকী থকা কামখিনি ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ বাবে এখন সময় নিৰ্দিষ্ট কৰ্মসূচী প্ৰস্তুত কৰা হয়।

বৈঠকত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ৰ হৈ সংগ্ৰহালয় বিভাগৰ যুটীয়া সচিব লিলি পাণ্ডে, উপ-সচিব ফইজল শ্বাহ, ৰাজ্য চৰকাৰৰ ফালৰ পৰা বিজ্ঞান প্ৰযুক্তি বিভাগৰ সচিব পল্লৱ গোপাল ঝা আৰু ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় পৰিষদৰ ফালৰ পৰা নতুন দিল্লীত ৰাষ্ট্ৰীয়  বিজ্ঞান কেন্দ্ৰৰ সঞ্চালক বিজয় শংকৰ শৰ্মা আৰু গুৱাহাটীৰ ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰৰ সঞ্চালক সুজয় মজুমদাৰে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় বিজ্ঞান

সংগ্ৰাহালয় পৰিষদৰ ফালৰ পৰা গুৱাহাটী বিজ্ঞান নগৰী প্ৰকল্পৰ বাবে নিয়োজিত স্থাপতিবিদ সুনন্দ দাসগুপ্তাও বৈঠকত উপস্থিত থাকে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ অত্যাধুনিক বিজ্ঞান সংগ্ৰাহালয়ৰূপে গুৱাহাটী বিজ্ঞান নগৰী নিৰ্মাণ কৰি থকা হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত এই প্ৰকল্প উদ্বোধনৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উপভয়ে পূৰ্ব নিৰ্ধাৰিত বাজেটৰ উপৰি অতিৰিক্ত পুঁজিও মুকলি কৰি দিছে।

০০০০০০

শিক্ষা ব্যৱস্থাত মানৱীয় মূল্যবোধৰ সংযোজনে শিক্ষাৰ্থীসকলক নৈতিক আৰু মানৱীয় শক্তিৰে শক্তিশালী কৰি তোলাৰ লগতে এখন সুস্থ সমাজ গঢ় দিয়ে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কালি নিশা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰি ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটীৰ তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না দেৱী ভাগৱতীয়ে এইদৰে মত প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি শিক্ষা ব্যৱস্থাক মানুহ গঢ়াৰ কমাৰশাল হিচাপে গঢ় দিয়াটো শিক্ষকসকলৰ অন্যতম দায়িত্ব। তেওঁলোকে অভিভাৱকসকলকো শৈশৱৰ পৰাই তেওঁলোকৰ সন্তানক নৈতিক গুণেৰে শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়।

আলোচনাত ভাগ লৈ ছেবাৰ প্ৰাক্তন অধ্যক্ষগৰাকীয়ে মূল্যবোধৰ শিক্ষাৰ ক্ষেত্ৰত মূল্যায়নৰ প্ৰয়োজনীয়তাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

**বাইট (শান্তিকাম হাজৰিকা)**

সাম্প্ৰতিক সমাজত দেখা দিয়া কিছুমান বিশৃংখলতা তথা মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ বিষয়ত উদ্বেগ প্ৰকাশ কৰি জ্যোৎস্না দেৱী ভাগৱতীয়ে নতুন শিক্ষানীতিত মানৱীয় মূল্যবোধৰ শিক্ষাৰ প্ৰাসংগিকতাৰ বিষয়ে উল্লেখ কৰে।

**বাইট (জ্যোৎস্না দেৱী ভাগৱতী)**

অনুষ্ঠানটিৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশক অৰুণিমা গোস্বামীয়ে।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপৰি কেইবাগৰাকীও সাহিত্যিক আৰু সাংবাদিক উপস্থিত থকাৰ কথা।

প্ৰথম গুৱাহাটী শিশু মহোৎসৱৰ কালি তৃতীয় দিনাৰ কাৰ্যসূচী আৰতি হাজৰিকাৰ যোগাসন প্ৰশিক্ষণেৰে মুকলি কৰা হয়। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক ৰবিজিতা গগৈ, নাট্য শিল্পী, ৰাজীৱ কুমাৰ সাউদ আৰু সোনম দেৱীয়ে নাট কৰ্মশালাত প্ৰশিক্ষণ দিয়ে। বিশিষ্ট মুকাভিনয় শিল্পী মইনুল হকে মুকাভিনয় আৰু দেৱকান্ত হাজৰিকা আৰু দিগন্ত হাজৰিকাই সুকুমাৰ কলাৰ কৰ্মশালাৰ সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। যশস্বী নৃত্য পৰিচালক কমল নাথ আৰু প্ৰিয়ংকা কাশ্যপে নৃত্য তথা ৰাজ আহমেদ আৰু দীপক দাসে সংগীতৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ দিয়ে। বিয়লি অনিলাভা চেটাৰ্জী পৰিচালিত **মেছি** নামৰ শিশু চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। এভাৰেষ্ট জয়ী প্ৰখ্যাত পৰ্বতাৰোহী তৰুণ শইকীয়াই চলচ্চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে। বিশিষ্ট সংগীত শিল্পী, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন বিষয়া অৱনী ৰঞ্জন পাঠকে সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে।

০০০০০০

লৰ্ডছত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা ঘৰুৱা দল ইংলেণ্ডে এটাও উইকেট নেহেৰুওৱাকৈ কালি সংগ্ৰহ কৰা দুই ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। ইংলেণ্ডে ১০ টা উইকেট বাকী থকা অৱস্থাত ভাৰতত‌কৈ সামগ্ৰিকভাৱে দুই ৰানত আগবাঢ়ি আছে। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত খেল আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে ভাৰতেও ইংলেণ্ডৰ প্ৰথম ইনিংছৰ স্কোৰ ৩৮৭ ৰানতে কালি প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে শতক অৰ্জন কৰে। ঋষভ পণ্টে ৭৪ আৰু ৰবীন্দ্ৰ জাদেজাই ৭২ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ ক্ৰিছ ৱ'কছে তিনিটা উইকেট দখল কৰে। জোফ্ৰা আৰ্চাৰ আৰু বেন ষ্ট'কছে দুটাকৈ উইকেট লাভ কৰে। ভাৰতে কালি বিদেশত অনুষ্ঠিত টেষ্ট শৃংখলাত সৰ্বাধিক ছিক্সাৰ কোবোৱাৰ নতুন বিশ্ব অভিলেখো গঢ়ে। ভাৰতে এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাত বৰ্তমানলৈকে ৩৬ টা ছিক্সাৰ কোবাই ১৯৭৪-৭৫ চনত ৱেষ্ট ইণ্ডিজে ভাৰতৰ বিৰুদ্ধে গঢ়া ৩২ টা ছিক্সাৰৰ অভিলেখ ভংগ কৰে। ভাৰতে পাঁচখন খেলৰ শৃংখলাটোৰ প্ৰথম তিনিখন খেলতে এই কৃতিত্ব আৰ্জন কৰিছে। শৃংখলাটোত সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে।

০০০০০০

গোৱালপাৰা জিলা বন সংমণ্ডলৰ অন্তৰ্গত কৃষ্ণাই পাইকান সংৰক্ষিত বনাঞ্চলত কালি প্ৰশাসনে দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাই এহেজাৰ ৩৮ বিঘা ভূমি মুকলি কৰে। এই বাতৰি অসমীয়া প্ৰতিদিনৰ লগতে আমাৰ অসম, দৈনিক অসম, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি, অসমীয়া খবৰ আদি কাকতে প্ৰকাশ কৰিছে।

কালি সোণাপুৰত মুখ্যমন্ত্ৰীয়ে মুকলি কৰা দেশৰ প্ৰথমখন জনপ্ৰযুক্তি উদ্যানত একুৱাপনিক্স, বায়ুফ্লক, মাছৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিব পৰা পোক-পতংগ উদ্ভিদ আদিৰ লগতে কম খৰচী খাদ্য উৎপাদনৰ বাবে ক্ষুদ্ৰ ৰিচাৰ্কুলেটৰী একুৱা কালচাৰ ছিষ্টেমৰ দৰে আধুনিক জলজ কৃষি প্ৰযুক্তি প্ৰদৰ্শিত হ'ব। এই বাতৰি অন্যান্য কাকতৰ লগতে দৈনিক জনভূমি কাকতে প্ৰকাশ কৰিছে।

বিমানৰ ইঞ্জিনৰ ইন্ধনৰ ছুইটছ বন্ধ হৈ পৰাৰ ফলতে আহমেদাবাদৰ পৰা যোৱা ১২ জুনত উৰা মৰা এয়াৰ ইণ্ডিয়াৰ বিমানখনত দুৰ্ঘটনা সংঘটিত হৈছিল। এই বাতৰি অন্যান্য কাকতৰ লগতে দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

ছাত্ৰ-ছাত্ৰীসকলে ঘৰৰ পৰাই পৰিৱেশ সজাগতাৰ শিক্ষা আহৰণ কৰা উচিত। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ তথা বিশিষ্ট বিজ্ঞানী অৰূপ কুমাৰ মিশ্ৰই কৰা এই মন্তব্যৰে আমাৰ অসম কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

জনসেৱাৰ অধিকাৰ আইন অনুসৰি তালিকাভুক্ত সেৱাবোৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰাইজে লাভ কৰাৰ বাবে সেৱা সেঁতু প'ৰ্টেলৰ যোগেদি অনলাইন আবেদনৰ সুবিধা আছে যদিও কাৰ্যত এয়া প্ৰহসনতহে পৰিণত হৈছে। এই বাতৰি দৈনিক অসম কাকতৰ।

দৈনিক অগ্ৰদূত কাকতে ৰাজ্যত সক্ৰিয় হৈ থকা ভুৱা চিকিৎসক আৰু ইয়াৰ বিৰুদ্ধে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

সোণাপুৰত নিৰ্মিয়মান ছাইন্স ছিটী সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তই দিল্লীত সাংস্কৃতিক মন্ত্ৰালয়েৰে বৈঠক অনুষ্ঠিত কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অজিৎ ভূঞাৰ সাংসদ পুঁজিৰ দুৰ্নীতি সন্দৰ্ভত নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে কৃষক আৰু কৃষি ক্ষেত্ৰত জলসিঞ্চন বিভাগৰ ভূমিকা সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাও.....

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত